# 2 0 1 8

# ASSAMESE

## ( Elective )

Paper : 5.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) অংকীয়া নাটৰ ভাষাক কি নামেৰে জনা যায়?

(খ) 'মুক্তিমঙ্গল' শব্দটি কোন শ্ৰেণী নাটকৰ অন্তৰ্গত?

(গ) 'ৰূপালীম' নাটকখনৰ নাট্যকাৰজন কোন?

(ঘ) বাণেশ্বৰ বৰুৱাৰ জীয়েকৰ নাম কি আছিল?

(ঙ) জগৰুৰ বন্ধুজনৰ নাম কি?

(চ) বিক্ৰম কোন জনগোষ্ঠীৰ ডেকা ল'ৰা?

(ছ) লোকনাথ মহৰীয়ে কাৰ অধীনত কাম কৰিছিল?

(জ) 'সন্ধিক্ষণ' নামৰ নাটখন কাৰ ৰচনা?

(ঝ) মুহিৰাম পেচাত কি আছিল ?

(ঞ) 'হাতী আৰু ফান্দী' নাটখনৰ নাৰীচৰিত্ৰ কেইটা ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'নান্দী শ্লোক' কি ?

(খ) কনকাৱতীৰ সখীয়েক দুগৰাকীৰ নাম কি আছিল ?

(গ) 'লভিতা' নাটকত ৰূপায়িত হোৱা ঘটনা আৰু চৰিত্ৰসমূহ কোনটো সময়ৰ ?

(ঘ) চন্দ্ৰমহাজনৰ চৰ্দাৰজনৰ নাম কি ? তেওঁ দেখাত কেনে আছিল ?

(ঙ) হাতী চিকাৰ কিহেৰে কৰে ? চিকাৰত ব্যৱহাৰ কৰা হাতীটোক কি বোলে ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) "আহে সখী! তুহুঁ ৰাজ-নন্দিনী, কোন সম্পত্তি নাই থিক, কি নিমিত্তে বৰম্বাৰ বিলাপ কৰহ ?" কোনে, কাক, কিয় ক'বলগা হৈছিল ?

(খ) "এ বোলো ছোৱালী! যা ৰান্ধনিঘৰৰ মানুহ ৰান্ধনিঘৰলৈ। বুঢ়া মানুহৰ লগত চুপতি কৰিবলৈ নাহিবি।" কোনে, কাক, কিয় কৈছিল ?

(গ) "অ' হ'বতো সাহ! সঁচা কথা ক'বলৈ কাৰ সাহ নহ'ব ? নাথাকো মই এনেকুৱা মানুহৰ ঘৰত।" এই কথাখিনি কোনে, কাক কৈছিল ?





(ঘ) "এতিয়া আৰ ক'ত যাবি বেটি। নিজ দেশ গ'লে শুকাই মৰিবি।" জগৰুৱে কাক, কিয় কৈছিল ?

(ঙ) "এৰা পাই, বৰ ভাল মানুহটো গ'ল। মোৰ বৰ লোকচান হ'ল পাই।" এই সংলাপটিৰ পৰা মহাজনৰ কেনে মানসিকতা প্ৰকাশ পাইছে ?

৪। (ক) সংস্কৃত নাটক আৰু অংকীয়া নাটকৰ মাজত থকা মিলখিনি চমুকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া নাট্যসাহিত্যলৈ শংকৰদেৱৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

৫। (ক) "লভিতা নতুন অসমীয়া ডেকা গাভৰুৰ আত্মবিশ্বাস, সমাজচেতনা আৰু উদাৰতাৰ সাৰ্থক প্ৰতিনিধি।" কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা। ১০

*অথবা*

(খ) 'লভিতা' নাটকখনৰ পটভূমি সম্পৰ্কে আলোচনা কৰি ইয়াৰ মাজেৰে অসমীয়া নাৰীৰ গৰিমা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৬। (ক) 'মাদল' নাটখনৰ মাজেৰে চাহ জনগোষ্ঠীৰ সামগ্ৰিক জীৱন-চৰ্যা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'মাদল' নাটখনত চাহ-বনুৱাৰ শোষিত জীৱনৰ দুখ-দুৰ্দশা কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

৭। (ক) 'হাতী আৰু ফান্দী' নাটখনৰ মুহিৰাম চৰিত্ৰটোৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ বিচাৰ কৰা। ১০

*অথবা*

(খ) 'হাতী আৰু ফান্দী' নাটখনৰ শেষত পমী চৰিত্ৰটোৰ যোগেদি শোষিতৰ, শোষকৰ বিৰুদ্ধে প্ৰতিবাদ কেনেদৰে সাব্যস্ত হৈছে, আলোচনা কৰা।

★★★